*Total number of printed pages–3*

**14 (SEM–IV) ASM 4046**

Mahesh Chandra Dev Goswami Library
Acc. No.............................
Date.............................
Nowgong Girls' College

**2025**

**ASSAMESE**

Paper : ASM–4046

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*৭ নং প্ৰশ্ন আৰু যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখিবা ঃ*

১। জয়ন্তীৰ মানসিক বিকাৰগ্ৰস্ততাই 'জয়ন্তী' গল্পটিত নাৰী চৰিত্ৰৰ মনস্তত্ত্বৰ (মনোবিকাৰৰ) ক্ষেত্ৰত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰিছে, গল্পৰ কাহিনীৰ আধাৰত বিচাৰ কৰাঁ। ১২

২। 'আৱাহন যুগে' অসমীয়া গল্পসাহিত্যলৈ ৰোমাণ্টিক ভাববিলাসৰ উন্মাদনা, কল্পনাৰ মুক্ত গতি আৰু সূক্ষ্মব্যঞ্জনা কেনেদৰে কঢ়িয়াই আনিলে, তোমাৰ পাঠ্য গল্পৰ আধাৰত আলোচনা কৰাঁ। ১২

*অথবা*

'ৰামধেনু যুগ'ৰ চুটিগল্পই চুটিগল্পৰ আঙ্গিক আৰু কলা-কৌশলৰ ক্ষেত্ৰত কেনেদৰে পৰিবৰ্তনৰ সূচনা কৰিলে, তোমাৰ পাঠ্য উক্ত সময়চোৱাৰ গল্পৰ আধাৰত আলোচনা কৰা।

৩। চৈয়দ আব্দুল মালিকৰ গল্পত ৰোমাণ্টিক ভাব-বিলাসিতাৰ নিদৰ্শন কেনেদৰে ফুটি উঠিছে, 'প্ৰাণ পোৱাৰ পিছত' গল্পটিৰ আধাৰত বিচাৰ কৰা। ১২

*অথবা*

পৰম্পৰাগত চুটিগল্পৰ সুনিৰ্দিষ্ট কাহিনীৰ গাঁথনি পৰিহাৰ কৰি আধুনিক জীৱনৰ বিচ্ছিন্নতাক সৌৰভ কুমাৰ চলিহাই গল্পৰ মাজেদি কেনেদৰে প্ৰকাশ কৰিছে? তোমাৰ পাঠ্য গল্পৰ আধাৰত চলিহাৰ গল্পৰ কলা-কৌশল সম্পৰ্কে আলোচনা কৰা।

৪। "বৰ্ণনাৰ সাৱলীলতা আৰু কথনভংগীৰ মধুৰতা শইকীয়াৰ গল্পৰ বিশেষত্ব।"—এই উক্তিৰ আধাৰত ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ কথনশৈলীৰ বিচাৰ কৰা। ১২

৫। "অসমীয়া চুটিগল্পৰ কথনৰীতিত পৰম্পৰাগত শৈলী পৰিহাৰ কৰি গল্পৰ কাহিনীৰ পৰিবৰ্তে আঙ্গিক সৰ্বস্বতাৰে কোনো এটা চিন্তাক বিমূৰ্ত ৰূপ প্ৰদানত" নগেন শইকীয়াই কেনেদৰে সাৰ্থকতা লাভ কৰিছে '*বন্ধ কোঠাত ধুমুহা*' গল্পৰ আধাৰত যুক্তিৰে বিচাৰ কৰা। ১২



৬। "গোটেইখন আবৰি থকা কিবা এটা মোহ, মোহৰ মাজতো যেন ক'ৰবাত অকণমান ভয়, ভয়ৰ মাজতো জীয়াই থকাৰ এৰাব নোৱাৰা টান—এয়ে বাঘে টাপুৰ জীৱন।" 'বাঘে টাপুৰ ৰাতি' গল্পৰ আধাৰত উদ্ধৃত সংলাপটিৰ পৰিস্থিতিগত তাৎপৰ্য ব্যাখ্যা কৰা। ১২

৭। চমু টোকা লিখা : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) নিৰুপমা বৰগোহাঞিৰ গল্পত নাৰীভাৱনা

(খ) প্ৰণৱজ্যোতি ডেকাৰ 'বেৰাৰিছ লাচ'ত লোকভাষাৰ ব্যৱহাৰ

(গ) অসমীয়া চুটিগল্পত ফ্ৰয়েডীয় চিন্তাৰ প্ৰভাৱ

(ঘ) সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ কথনশৈলী

(ঙ) 'ব্যৰ্থতাৰ দান'ত জৈৱিক প্ৰবৃত্তিৰ প্ৰতিফলন

(চ) অস্তিত্ববাদ আৰু অসমীয়া চুটিগল্প

---